জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬১৯/২০২০

স্পাইচ জেটে উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যলৈ আৰম্ভ কৰিলে কাৰ্গ' বিমান সেৱা

স্পাইচ জেটৰ কাৰ্গ' বিমান সেৱাই ৰাজ্যৰ কৃষকৰ সপোন বাস্তৱায়িত কৰিব ঃ মুখ্যমন্ত্ৰী

দিছপুৰ, ১৬ ছেপ্টেম্বৰ ঃ অসমকে ধৰি উত্তৰ-পূবৰ আমদানি-ৰপ্তানি ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই দেশৰ আগশাৰীৰ বিমান পৰিবহন সংস্থা স্পাইচ জেটে আজি উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যলৈ কাৰ্গ' বিমান সেৱা মুকলি কৰে। এই উপলক্ষে গুৱাহাটীৰ হোটেল তাজ ভিভান্টাত অনুষ্ঠিত এক কাৰ্যসূচীত অংশ গ্ৰহণ কৰি স্পাইচ জেটৰ এই পদক্ষেপে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূৱৰ কৃষকসকলৰ সপোন বাস্তৱায়িত কৰিব বুলি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়। আজিৰ এই পক্ষেপৰ জৰিয়তে স্পাইচ জেটে অসমকে ধৰি মণিপুৰ, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰালৈ ১৪ খন নতুন কাৰ্গ' বিমানৰ সেৱা আৰম্ভ কৰে।

স্পাইচ জেটৰ কাৰ্গ' বিমানসেৱা মুকলিৰ দিনটোক বিশেষ গুৰুত্বপূৰ্ণ দিন বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এতিয়াৰে পৰা এই অঞ্চলৰ কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰী নিজৰ ৰাজ্যৰ বাহিৰলৈ ৰপ্তানি কৰাৰ ক্ষেত্ৰত বিশেষ সুবিধা লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত ৩৭ লাখৰো অধিক কৃষক পৰিয়াল আছে। ৰাজ্যৰ এই কৃষক পৰিয়ালসমূহে নিজকে স্বাৱলম্বী কৰাৰ লগতে ৰাজ্যৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰাত উল্লেখযোগ্য বৰঙনি আগবঢ়াই আহিছে। এই কাৰ্গ' সেৱাৰ আৰম্ভণিয়ে কৃষকসকলৰ বাবে নতুন সুবিধা আৰু সম্ভাৱনাৰ সৃষ্টি কৰিব বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই অঞ্চলৰ সম্পদ আৰু সম্ভাৱনাসমূহ আৱিষ্কাৰ কৰি এইসমূহক নতুন গতি প্ৰদান কৰিবলৈ পদক্ষেপ লৈছে। এই পদক্ষেপৰ অংশ হিচাপে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত যাতায়াত ব্যৱস্থাৰ দ্ৰুত উন্নয়ন সম্ভৱ হৈছে। আজি স্পাইচ জেটে আৰম্ভ কৰা এই কাৰ্গ' বিমান সেৱা এই পদক্ষেপসমূহৰে অন্যতম বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী' বুলি অভিহিত কৰাৰ লগতে এই অঞ্চলক দেশৰ বিকাশৰ 'নতুন ইঞ্জিন' ৰূপে গঢ়িবলৈ নিষ্ঠাৰে কাম কৰিছে বুলিও মুখ্যমন্ত্ৰী সোণোৱালে কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে এই কাৰ্গ' বিমান সেৱাৰ আৰম্ভণিয়ে 'আত্মনিৰ্ভৰ ভাৰত'ৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশতো প্ৰভূত অৰিহণা যোগাব। মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে এতিয়াৰে পৰা স্থানীয় কৃষিজাত সামগ্ৰীসমূহৰ উপযুক্ত বজাৰ সৃষ্টি কৰিবলৈ অধিক সজোৰে প্ৰচেষ্টা চলাব আৰু শীঘ্ৰে এই সামগ্ৰীসমূহে বিশ্বৰ বজাৰ দখল কৰিবলৈ সক্ষম হ'ব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে আৰম্ভণিৰে পৰা দক্ষিণ-পূৱ এছিয়াৰ লগতে বাংলাদেশ

আৰু ভূটানৰ সৰ্বমুঠ ৮০ কোটি জনসাধাৰণক লক্ষ্য কৰি ৰাজ্যখনত শক্তিশালী বজাৰ গঢ় দিবলৈ পদক্ষেপ লৈ আহিছে। স্পাইচ জেটৰ কাৰ্গ' বিমান সেৱাই এই পদক্ষেপক অধিক ত্বৰান্বিত কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ পূৰ্বে নদী পথেদি অসমে আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ ৰাজ্যত উৎপাদিত সামগ্ৰী প্ৰেৰণ কৰিব পাৰিছিল যদিও পৰৱৰ্তী সময়ত এই পথ বন্ধ হৈ পৰে। অৱশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ পদক্ষেপৰ ফলত বাংলাদেশৰ চট্টগ্ৰাম বন্দৰলৈকে যাতায়ত ব্যৱস্থা পুনৰ মুকলি হৈছে। আনহাতে স্পাইচ জেটৰ আজিৰ এই পদক্ষেপে এক নতুন দিগন্তৰ সূচনা কৰিলে। মুখ্যমন্ত্ৰীয়ে এই সুযোগৰ সুবিধা গ্ৰহণ কৰি কৃষি অৰ্থনীতি সৱল কৰি তোলাৰ বাবে ৰাজ্যৰ উঠি অহা প্ৰজন্মক কৃষিকৰ্মত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে স্পাইচ জেটৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক অজয় সিঙক অসমৰ কৃষি অৰ্থনীতিক নতুন গতি দিয়াৰ উদ্দেশ্যে গ্ৰহণ কৰা এই পদক্ষেপৰ বাবে বিশেষভাৱে ধন্যবাদ জনায়।

আজিৰ অনুষ্ঠানত অসামৰিক বিমান পৰিবহন দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী হৰদ্বীপ সিং পুৰী আৰু স্পাইচ জেটৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক অজয় সিঙে ভাৰ্চুৱেল মাধ্যমেদি অংশ গ্ৰহণ কৰি এই পদক্ষেপৰ সম্পৰ্কে বক্তব্য প্ৰদান কৰে। অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও অনুষ্ঠানত ভাষণ প্ৰদান কৰে। অনুষ্ঠানত লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱাৰ লগতে স্পাইচ জেটৰ মুখ্য বিপণন বিষয়া দেৱজু মহৰ্ষি অনুষ্ঠানত উপস্থিত থাকে।

বীঃগঃ
১৬/০৯/২০২০